অধ্যায় 1 ঃ সংযোগ

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য
1.2 পৰিচয়
1.3 সংযোগৰ ধাৰণা
  1.3.1 সংযোগৰ সংজ্ঞা
  1.3.2 সংযোগৰ উপাদানসমূহ
1.4 সংযোগৰ কার্য প্রণালী
1.5 সংযোগৰ প্রকাৰ
  1.5.1 দৈহিক আৰু ভাষিক অভিব্যক্তিৰ ভিত্তিত সংযোগৰ প্রকাৰ
  1.5.2 অংশগ্রহণকাৰী লোকৰ সংখ্যাৰ ভিত্তিত সংযোগৰ প্রকাৰ
1.6 গণ সংযোগ
  1.6.1 গণ সংযোগৰ বৈশিষ্ট্যসমূহ
  1.6.2 গণ সংযোগৰ প্রকাৰ
  1.6.3 গণ মাধ্যম আৰু শ্রোতা-দর্শক
1.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
1.8 অধিক জানিবলৈ
1.9 অগ্রগতিৰ খতিয়ান
1.10 সম্ভাব্য প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সংযোগ শব্দটোৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- সংযোগ প্রক্রিয়াৰ সংক্ষিপ্ত বিৱৰণ দিব পাৰিব
- সংযোগৰ কার্য প্রণালীৰ বর্ণনা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ সংযোগৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব

১.২ পৰিচয়

মানৰ সভ্যতাৰ বিকাশত সংযোগ ব্যৱস্থাই সদায়েই গুৰুত্বপূৰ্ণ ভেটি ৰূপে অৰিহণা আগবঢ়াই আহিছে। সেয়েহে মানৰ সভ্যতাৰ সকলো পৰিৱৰ্তন আৰু বিকাশ সংযোগৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বৰ্তমান সময়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষীপ্ৰ উন্নয়নৰ এই যুগত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক, এই সকলোবোৰ ক্ষেত্ৰতে সংযোগ ব্যৱস্থাই হৈ পৰিছে কেন্দ্ৰবিন্দু।

এতিয়া মানৰ জীৱনৰ প্ৰতিটো দিশৰ নিয়ন্ত্ৰণ কেৱল সংযোগ ব্যৱস্থাৰ হাতত। আমি নিঃশ্চিতভাৱে এইটো ক'ব পাৰো যে অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ পাছতেই ই মানুহৰ চতুৰ্থ মৌলিক প্ৰয়োজন হৈ পৰিছে। সেইবাবে সংযোগৰ ধাৰণাটোৰ বিষয়ে ভালদৰে উপলব্ধি কৰাটো অধিক দৰকাৰী হৈ উঠিছে। আপুনি ইয়াক অধ্যয়নৰ বিষয় হিচাপে বাচি লোৱা বাবে ইয়াৰ বিষয়ে জনাটো আপোনাৰ বাবে অধিক প্ৰয়োজনীয় কিয়নো এই অধ্যয়নে আপোনাক সংযোগ বৃত্তিক অৰ্থপূৰ্ণ জীৱিকাৰ বৃত্তি হিচাপে গ্ৰহণ কৰাত সহায় কৰিব।

সুস্থ সংযোগ প্ৰয়াসে মানুহক আকৰ্ষিত কৰাত, সমস্যাৰ সমাধান কৰাত, বিভিন্ন জাতি আৰু সমাজৰ মাজত সেঁতু নিৰ্মাণ কৰাত প্ৰচুৰভাৱে সহায় কৰে। সেইবাবে এতিয়াৰে পৰা আমি এই বৃত্তিৰ বৈশিষ্ট্যসমূহ মনোযোগেৰে অধ্যয়ন কৰোচোন।



জনা উচিত

সংযোগ সম্পৰ্কে কেইটামান মনোজ্ঞ পৰ্যবেক্ষণ—

- নীৰৱ হৈ থকা অৱস্থাতো আমি কোনো এক প্ৰকাৰে সংযোগ কৰো
- সংযোগ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'বলৈ সচৰাচৰ একাধিক ব্যক্তিৰ প্ৰয়োজন হয় যদিও একেজন ব্যক্তিৰ মাজতো এই প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব পাৰে।
- আমাৰ প্ৰতিটো শাৰীৰিক আৰু মানসিক ভাব-ভংগীয়ে অন্য এজন লোকৰ বাবে কিবা এটা প্ৰকাশ কৰে।
- সংযোগ হ'ল এটা অন্তহীন প্ৰক্ৰিয়া।

১.৩ সংযোগৰ ধাৰণা

সহজ অর্থত সংযোগ হ'ল, ব্যক্তিগতভাবে তথা বহুল পর্যায়ত আমাৰ চৌপাশে থকা অন্য লোক, অনুষ্ঠান নাইবা সন্থা আদিৰ বিষয়ে জ্ঞাত হোৱাৰ প্রক্রিয়া। ই হ'ল এনে এটা পদ্ধতি যিটোৱে আমাক আমাৰ নিকটস্থানীয় লোক, ব্যক্তিগতভাৱে আমাৰ অচিনাকী ৰাজহুৱা ব্যক্তিৰ বিষয়ে, সমাজৰ অৱস্থা আদিৰ বিষয়ে জনাত সহায় কৰে। সংযোগ হৈছে এনে এক প্রক্রিয়া য'ত বিভিন্ন অংগী-ভংগী অথবা চিহ্নৰ জৰিয়তে মানুহে ধাৰণা, তথ্য, জ্ঞান, মতামত অথবা অনুভৱৰ আদান-প্রদান কৰে। লেটিন ভাষাৰ Communicare শব্দটোৰ পৰা এই শব্দটোৰ উদ্ভৱ হৈছে। ইয়াৰ অর্থ হ'ল "Common" অর্থাৎ সর্বত্র। এই শব্দটো ভালদৰে বুজি উঠাৰ বাবে আমি ইতিহাসলৈ উভতি যাব লাগিব। প্রাক-ঐতিহাসিক যুগত মানৰ সভ্যতাৰ প্রাৰম্ভিক পর্যায়ত মানুহে নিজে একো একোজন ব্যক্তি হিচাপে অকলশৰে বাস কৰিছিল আৰু তেওঁৰ আন কোনো লোকৰ সৈতে কথা পতাৰ বিশেষ প্রয়োজন নহৈছিল। কিন্তু যেতিয়া উমৈহতীয়া বাসস্থানত তেওঁলোকে একেলগে বাস কৰিবলৈ ল'লে, তেতিয়া সেই দলবোৰৰ সৈতে কথা-বতৰা পতাটো নাইবা ভাবৰ আদান-প্রদান কৰাটো প্রয়োজনীয় হৈ উঠিল। তাৰ ফলতেই সংযোগৰ পদ্ধতিটোৱে ক্রমশঃ বিকাশ লাভ কৰিবলৈ ধৰিলে আৰু কালক্রমত ই গুৰুত্বপূর্ণ হৈ পৰিল।

সাধাৰণ পৰিস্থিতিত এই প্রক্রিয়াটো আৰম্ভ কৰা আৰু চলাই যোৱাৰ বাবে একাধিক ব্যক্তিৰ প্রয়োজন হয় যদিও, কেতিয়াবা নিজে নিজৰ মাজতে এই প্রক্রিয়াটো সম্পূর্ণ কৰিব পৰা যায়। অর্থাৎ কোনো সমস্যাৰ সৃষ্টি নোহোৱাকৈ একেজন ব্যক্তিৰ মাজতে সংযোগ সম্পূর্ণ হৈ উঠে। দৰাচলতে, এইটো মন কৰিবলগীয়া কথা যে, অন্য এজন ব্যক্তিৰ সৈতে সংযোগ কৰাৰ আগতে আমি কোনো ব্যতিক্রম নোহোৱাকৈ নিজে নিজৰ ভিতৰতে সংযোগ কৰো। তাৰ মানে, আনৰ সৈতে সংযোগ কৰাৰ ক্ষেত্রত আমি কিদৰে আগবাঢ়িম সেই সিদ্ধান্ত লোৱাৰ বাবে আমি প্রথমতে নিজে নিজৰ সৈতে সংযোগ কৰো। সেইবাবে আনৰ সৈতে প্রতিটো সংযোগ প্রক্রিয়াত প্রকৃতার্থত আগবাঢ়ি যোৱাৰ আগতে আমি আমাৰ নিজৰ মনটোক অৱলোকনৰ প্রক্রিয়াৰ মাজেৰে পাৰ কৰিবলগীয়া হয়।

১.৩.১ সংযোগৰ সংজ্ঞা

এতিয়া সংযোগৰ বিষয়ে ভালদৰে বুজাৰ বাবে আমি ইয়াৰ কেইটামান সংজ্ঞাত চকু ফুৰাওচোন আহক।

"সংযোগ হ'ল তথ্যৰ প্রেৰণ আৰু গ্রহণ প্রক্রিয়া।"

"সংযোগ হ'ল এনে এটা প্রক্রিয়া যিটোৱে সামূহিকতা বৃদ্ধি কৰে, কিন্তু এই প্রক্রিয়া সংঘটিত হোৱাৰ বাবে সামুহিকতাৰ উপাদানৰ প্রয়োজন হয়"--- ডেনিচ মেককুৱেল।

ইউনেচকোৰ ৰাষ্ট্ৰীয় সংযোগ ব্যৱস্থাত সংযোগক "সমাজৰ গাঁথনিৰেই এটা অংশ" বুলি কোৱা হৈছে। মানুহ আৰু অনুষ্ঠানৰ মাজত, চৰকাৰৰ পৰা জনসাধাৰণৰ মাজলৈ, জনসাধাৰণৰ মাজৰ পৰা পুনৰবাৰ চৰকাৰলৈ, ব্যক্তি আৰু মধ্যস্থতাকাৰীকে ধৰি ভালেমান চেনেলৰ যোগেদি সকলো পর্যায়তএই প্ৰক্ৰিয়া সংঘটিত হয়।

এইকেইটা সংজ্ঞাৰ উপৰি আপুনি পাঠ্যপুথিত সংযোগৰ আন ভালেমান সংজ্ঞা আগবঢ়োৱা দেখিবলৈ পাব আৰু সেইবোৰত সংযোগ ব্যৱস্থাটোৰ বিষয়ে বিশদভাবে ব্যাখ্যা কৰা হৈছে। কিন্তু সেই আটাইবোৰ পঢ়ি আপুনি বিভ্ৰান্ত নহ'ব, বৰং আপুনি নিজৰ ভাষাত সংযোগৰ এটা উপযুক্ত আৰু পর্যাপ্ত সংজ্ঞা লিখিবলৈ সদায় চেষ্টা কৰিব। অৱশ্যে এনে কৰোতে ইয়াৰ অর্থটো যাতে তৰল নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।

১.৩.২ সংযোগৰ উপাদানসমূহ

অনিবার্যভাৱে সংযোগ প্ৰক্ৰিয়াৰ কেবাটাও মনোগ্ৰাহী উপাদান থাকে। সেইবোৰৰ ভিতৰত কেইটামান হ'ল-- এজন প্ৰেৰক, এজন গ্ৰাহক, সঁহাৰি বা ফীডবেক, এটা চেনেল আৰু এটা বার্তা।

প্ৰেৰকজন এজন ব্যক্তি যিজনে তেওঁ বিচৰা কোনো এজন অন্য লোকলৈ এটা বার্তা নাইবা কোনো এটা তথ্য পঠাব খোজে। ইয়াৰ অর্থ হ'ল এয়ে যে এই ব্যক্তিজনে আচলতে সংযোগ প্ৰক্ৰিয়াটোৰ আৰম্ভ কৰে। উদাহৰণ স্বৰূপে, আপোনাৰ সৈতে মোৰ সংযোগ স্থাপন কৰিবৰ মন গ'লে, আপোনাক উদ্দেশ্য কৰি মই সংযোগ প্ৰক্ৰিয়াটো আৰম্ভ কৰিম আৰু আপুনি হ'ব মোৰ লক্ষিত শ্ৰোতা বা ইংৰাজীত যাক কোৱা হয় অডিয়েন্স। এইটো কৰিবলৈ যোৱাৰ আগতে মইেই নাইবা আন কোনো ব্যক্তিয়েই হওক, সংযোগ প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ বিচাৰিলে, প্ৰথমতে, তেওঁ আনজন ব্যক্তিক কি ক'ব বিচাৰে সেই বিষয়ে স্থিৰ কৰিব। তাৰ পাছত তেওঁৰ লক্ষিত ব্যক্তিজনে বুজি পোৱা কোনো এটা ভাষাত এটা বার্তা প্ৰস্তুত কৰি ল'ব, তাৰ পাছত এটা চেনেল বা বাহক বাছি ল'ব আৰু অৱশেষত আনজন ব্যক্তিক উদ্দেশ্য কৰি ইয়াক প্ৰেৰণ কৰিব।

আন যিজন ব্যক্তিয়ে এই বার্তা নাইবা তথ্য লাভ কৰাটো বিচৰা হয়, তেওঁকে কোৱা হয় "গ্ৰাহক" আৰু তেৱেঁই হ'ল সংযোগ প্ৰক্ৰিয়াটোৰ এজন অংশীদাৰ। এই দ্বিতীয় ব্যক্তিজনে বার্তাটো লাভ কৰাৰ পাছত তাৰ অর্থটো বুজিবলৈ চেষ্টা কৰে। তেওঁ তেতিয়া প্ৰথম ব্যক্তিজনে বা সংযোগ প্ৰক্ৰিয়াটোৰ আৰম্ভ কৰা লোকজনে বুজি পোৱা ভাষাত এটা উত্তৰ সাজি লয় আৰু বার্তাৰ প্ৰেৰকজনলৈ এই উত্তৰ প্ৰেৰণ কৰে। এনে সঁহাৰিত প্ৰথম ব্যক্তিজন সন্তুষ্ট হ'লে তেওঁ পুনৰ কিবা এটা ক'বলৈ বিচাৰিব আৰু অন্য জনেও তাৰ উত্তৰত কিবা এটা ক'ব। এইদৰেই সংযোগ প্ৰক্ৰিয়াটো অবিৰতভাবে আগবাঢ়ি থাকিব।

যিকোনো পৰিস্থিতিতে সংযোগ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'বলৈ কেবাটাও উপাদানৰ প্ৰয়োজন হয়। যেনে, প্ৰেৰক, গ্ৰাহক, বাৰ্তা, চেনেল বা বাহক, সঁহাৰি বা ফীড্‌বেক। যিজন ব্যক্তিয়ে সংযোগ প্ৰক্ৰিয়াটো আৰম্ভ কৰে তেওঁ হ'ল বাৰ্তাৰ প্ৰেৰক, যিজনে এই বাৰ্তা লাভ কৰে তেওঁ হ'ল গ্ৰাহক আৰু এই প্ৰক্ৰিয়াত আদান-প্ৰদান কৰা তথ্যক কোৱা হয় বাৰ্তা। আনহাতে যি উমৈহতীয়া বাহক বা মঞ্চৰ যোগে তেওঁলোকে সংযোগ কৰে, সেয়া হ'ল চেনেল বা বাহক (উমৈহতীয়া ভাষা, বায়ুমণ্ডল, ইত্যাদি)। আৰু যেতিয়া প্ৰেৰকে গ্ৰাহকলৈ তথ্য প্ৰেৰণ কৰে তাৰ প্ৰতি যিটো প্ৰতিক্ৰিয়া লাভ কৰা হয় সেইটোকে কোৱা হয় ফীড্‌বেক বা সঁহাৰি। উদাহৰণ স্বৰূপে, মই মোৰ শিক্ষকক সু-প্ৰভাত বুলি সম্ভাষণ জনালে, তাৰ প্ৰত্যুত্তৰত তেৱো মোক ওভটাই সম্ভাষণ জনাব। মোৰ শিক্ষাগুৰু গৰাকীৰ এনে সম্ভাষণকে সংযোগত ফীড্‌বেক বা সঁহাৰি বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ ক

1 সংযোগৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

.....

2 সংযোগৰ ভিন্ ভিন্ প্ৰয়োজনীয় উপাদান কি কি?

.....

.....

3 নিজৰ সৈতে সংযোগ স্থাপন কৰাৰ অৰ্থ কি? অন্য এজন লোকৰ সৈতে সংযোগ কৰাৰ পূৰ্বে আমি আমাৰ নিজৰ সৈতে সংযোগ কৰাটো আৱশ্যকীয় হয় নেকি? যদি হয়, কিয়?

.....

.....

4 বাৰ্তা আৰু সঁহাৰিৰ মাজত কি পাৰ্থক্য আছে?

.....

.....



অনুশীলনী ক

1 শ্রেণী নাইবা অন্য কোনো ঠাইত আপোনাৰ কেইজনমান অন্তৰংগ বন্ধুৰ এটা দল গঠন কৰক। ইয়াৰ পাছত কোনো এটা বিষয় সম্পর্কে কেইটামান নির্দ্ধাৰিত প্রশ্ন কৰক। এতিয়া দলটোৰ প্রতিজন লোক কেনে প্রক্রিয়াৰে আগবাঢ়ে আৰু তেওঁলোকৰ চিন্তাৰ ধৰণ আৰু প্রশ্নটোৰ উত্তৰ কেনেকৈ প্রস্তুত কৰে, প্রশ্নটো সঠিকভাবে বুজিছে নে নাই, প্রতিটো পর্যায়তে তেওঁলোকে লোৱা সময় আদি লক্ষ্য কৰক।

2 ওপৰৰ একেটা অনুশীলনীতে, আপোনাৰ বন্ধুসকলে প্রশ্নকেইটাৰ উত্তৰ দিওঁতে তেওঁলোকৰ দেহ-ভংগিমা, হস্ত আৰু চকুৰ ভ্রূৰ সঞ্চালন, স্বৰৰ স্তৰ আদি ভালদৰে লক্ষ্য কৰক।

১.৪ সংযোগৰ কার্য প্রণালী

ভিন্ ভিন্ সময়ত বিভিন্ন পণ্ডিতে সংযোগৰ কাম-কাজৰ বিষয়ে বিভিন্ন মত প্রকাশ কৰিছে। 1948 চনত হে�ৰল্ড লেচৱেল সংযোগৰ তিনিটা কার্যৰ বিষয়ে উল্লেখ কৰিছে।

1। পাৰিপার্শ্বিকতাৰ ওপৰত দৃষ্টি ৰখা।

2¼ পাৰিপার্শ্বিক অৱস্থাৰ প্রতি সঁহাৰি জনোৱাত সমাজৰ বিভিন্ন অংশৰ মাজত সম্পর্ক ৰক্ষা কৰা,

3¼ সাংস্কৃতিক ঐতিহ্যৰ সম্প্রচাৰ কৰা।

1960 চনত ৰাইটে ইয়াত এটা চতুর্থ কার্য যোগ দিয়ে। সেইটো হ'ল মনোৰঞ্জনৰ কার্য। 1987 চনত, ডেনিচ মেককুৱেলে সংযোগৰ আন এটা কার্যৰ কথা উল্লেখ কৰে, মাধ্যমৰ কার্য প্রেৰণা সৃষ্টিৰ কার্য। "Mass Communication Theory" নামৰ কিতাপখনত তেওঁ সংযোগৰ কার্যসমূহৰ বিষয়ে সংক্ষিপ্তভাবে বর্ণনা কৰিছে। মেক্‌কুৱেলে বর্ণনা কৰা সংযোগৰ কাম-কাজসমূহকে সংযোগৰ মৌলিক কার্য হিচাপে বহুলভাবে স্বীকৃতি দিয়া হৈছে। সেই কার্যসমূহৰ বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ

তথ্য ঃ

সমাজ আৰু বিশ্বৰ ঘটনাপ্রবাহ আৰু পৰিস্থিতিৰ সম্পর্কে তথ্যৰ যোগান

ক্ষমতাৰ সম্পর্কসমূহৰ নিদর্শন,

উদ্ভাৱন, ৰূপান্তৰণ আৰু অগ্রগতিৰ সুযোগ সৃষ্টি

পাৰস্পৰিক সম্পর্ক ঃ

ঘটনা প্রবাহ আৰু তথ্যৰ তাৎপর্য ব্যাখ্যা, বিশ্লেষণ আৰু সেইবোৰৰ সম্পর্কত মত প্রকাশ,

প্রতিষ্ঠিত কর্তৃত্ব আৰু মানদণ্ডৰ প্রতি সমর্থন,

সামাজিকীকৰণ,

ভিন্ ভিন্ কাম-কাজৰ সমন্বয় সাধন,

সহমত গঠন,

অগ্রাধিকাৰৰ ক্রম নির্দ্ধাৰণ আৰু তুলনামূলক স্থিতিৰ সংকেতন।

নিৰন্তৰতা ঃ

প্রমুখ সংস্কৃতিৰ ওপৰত আলোকপাত কৰা আৰু উপ-সংস্কৃতি আৰু নতুন সংস্কৃতিৰ উত্তৰণক স্বীকৃতি।

মূল্যবোধৰ সাধাৰণত্ব গঢ়ি তোলা আৰু ৰক্ষণাবেক্ষণ দিয়া।

মনোৰঞ্জন ঃ

আমোদ-প্রমোদৰ বিবিধতা, বিনোদনৰ উপায়ৰ ব্যৱস্থা কৰা,

কার্য প্রেৰণা ঃ

ৰাজনীতি, যুদ্ধ-বিগ্রহ, অর্থনৈতিক উন্নয়ন আৰু সময়ে সময়ে ধর্মৰ সামাজিক লক্ষ্যসমূহৰ প্রচাৰ।



অগ্রগতি নিৰীক্ষণ খ

1। লেচৰেলৰ মতে সংযোগৰ কার্যসমূহ কি কি?

.....

.....

.....

2। মেককুৰেলৰ মতে সংযোগৰ কার্যসমূহ কি কি?

.....

.....

3। সংযোগৰ 'মনোৰঞ্জন' কার্যৰ ধাৰণাটো কোনে আৰম্ভ কৰিছিল?

.....

.....

১.৫ সংযোগৰ প্রকাৰ

এইখিনিতে এইটো উল্লেখনীয় যে কথিত বা লিখিত ভাষা নাইবা দৈহিক ভাষা অর্থাৎ ভাব-ভংগীৰ প্রয়োগৰ ধৰণ অনুযায়ী সংযোগক বহুতো ভাগত বিভক্ত কৰা হৈছে। এই ভাগসমূহ আমি ইয়াত উদাহৰণ সহকাৰে আলোচনা কৰিম

১.৫.১. দৈহিক আৰু ভাষিক অভিব্যক্তিৰ ভিত্তিত সংযোগৰ প্ৰকাৰ

(ক) মৌখিক সংযোগ ঃ

মৌখিক সংযোগ হ'ল লিখিত বা কথিত ভাষাৰ প্ৰয়োগৰ যোগে চলোৱা সংযোগ প্ৰক্ৰিয়া। উদাহৰণ স্বৰূপে, মই লিখিত ভাষা ব্যৱহাৰ কৰি আপোনালোক আটায়েৰে সৈতে সংযোগ কৰিছো। আনহাতে, কোনো এটা শ্ৰেণীকোঠাত এজন শিক্ষকে নাইবা মই নিজেই কোনো এটা সময়ত এই একেটা পাঠ্য বিষয়কেই শ্ৰেণী কোঠাত নাইবা অন্য কোনো ঠাইত কথিত ভাষাৰ যোগে আপোনালোকক শিকাবৰ চেষ্টা কৰিব পাৰো। এইটোকে কোৱা হয় মৌখিক সংযোগ কাৰণ, এই ক্ষেত্ৰত আমি আমাৰ লক্ষিত শ্ৰোতা বা "অডিয়েন্স"ৰ সৈতে সংযোগৰ বাবে মৌখিক শব্দৰ সহায় লওঁ।

(খ) মৌন সংযোগ ঃ

আমি যেতিয়া মৌখিক বা লিখিত কোনো পদ্ধতিৰ প্ৰয়োগ নকৰাকৈ, আমাৰ মুখমণ্ডলৰ প্ৰকাশভঙ্গী, দেহৰ নাটকীয় অংগী-ভংগী, স্বৰৰ নিয়ন্ত্ৰণ আদিৰ ব্যাপক প্ৰয়োগৰ সহায়ত ক'ব বিচৰা কথাখিনি মানুহক বুজাবলৈ চেষ্টা কৰো তেতিয়া ইয়াক মৌন সংযোগ বুলি কোৱা হয়। যেনে, কামাল হাচান অভিনীত চলচিত্ৰ পুষ্পক বিমানম, চার্লি চেপলিনৰ নিৰ্বাক চলচ্চিত্ৰ, ইত্যাদি।

প্ৰকৃতাৰ্থত, এই দুয়ো প্ৰকাৰৰ সংযোগক ইটোৰ পৰা সিটোক পৃথক হিচাপে চাব নোৱাৰি বা চোৱাটো উচিত নহয়। ইয়াৰ অৰ্থ উপলব্ধি কৰাৰ কাৰণে এই দুয়োটাকে একত্ৰিতভাবে চাব লাগিব। কাৰণ, এই দুয়ো প্ৰকাৰৰ সংযোগৰ সু-বিবেচিত আৰু ভাৰসাম্য সংযোজনৰ দ্বাৰাহে আমি সংযোগ প্ৰক্ৰিয়াটো ফলপ্ৰসু কৰি তুলিব পাৰো, কেৱল এটাৰ জৰিয়তে সেইটো সম্ভৱ নহয়।

আপুনি নিজে লক্ষ্য কৰিলে দেখিবলৈ পাব যে যেতিয়া আমি মানুহক কোনো এটা কথা বুজাবলৈ চেষ্টা কৰো, তেতিয়া আমাৰ মৌখিক সংযোগ নাইবা কথিত ভাষাৰ সৈতে আমাৰ হাতৰ অঙ্গী ভংগী আৰু দৈহিক প্ৰকাশভঙ্গী একত্ৰিত কৰিলে আমি ক'ব বিচৰা কথাটো অধিক অৰ্থবহ হোৱাটো আপুনি অনুভৱ কৰিব পাৰিব।

১.৫.২ অংশগ্ৰহণকাৰী লোকৰ সংখ্যাৰ ভিত্তিত সংযোগৰ প্ৰকাৰ

এইখিনিতে, অন্য লোকলৈ বাৰ্তা বহনৰ বাবে ভাষাৰ প্ৰয়োগৰ বিপৰীতে, সংযোগ প্ৰক্ৰিয়াত জড়িত ব্যক্তিৰ সংখ্যাৰ ভিত্তিত সংযোগৰ শ্ৰেণীবিভাগ কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। সংযোগ প্ৰক্ৰিয়াৰ সৈতে জড়িত বিভিন্ন দিশ আৰু প্ৰশ্নৰ বিষয়ে ভালদৰে জ্ঞাত হোৱাৰ বাবে সংযোগৰ এই শ্ৰেণীবিভাগত কেবাটাও মনোগ্ৰাহী প্ৰকাৰ থকা দেখা যায়।

(ক) আত্ম-ব্যক্তিক সংযোগ ঃ এই অধ্যায়ৰ আৰম্ভণিতে একেজন মানুহৰ মাজতে সংযোগ প্রক্রিয়াটো সম্পূর্ণ হোৱাৰ বিষয়ে উল্লেখ কৰা হৈছে। অর্থাৎ কোনো এজন লোকে তেওঁৰ নিজৰ সৈতে সংযোগ প্রক্রিয়াটো আৰম্ভ কৰিব পাৰে আৰু নিজৰ ভিতৰতে ইয়াক শেষ কৰিব পাৰে। উদাহৰণ স্বৰূপে, ৰাতিপুৱা সাৰ পাই উঠি অফিচলৈ যাম নে নাযাম সেইটো আমি নিজকে সুধিব পাৰো, নাইবা দিনটোৰ ভিতৰত কি কি কাম কৰিবলগীয়া আছে সেইটো মনত পেলাবলৈ চেষ্টা কৰিব পাৰো। এনে কৰোতে আমি নিজে নিজৰ সৈতে সংযোগ কৰো আৰু জ্বৰ হোৱাৰ বাবে গাটো ভাল নলগাত অফিচলৈ নোযোৱাৰ সিদ্ধান্ত ল'ব পাৰো নাইবা দিনটোৰ ভিতৰত কৰিবলগীয়া কামৰ তালিকাখনৰ কিছু সাল-সলনি কৰিব পাৰো। ইয়াত আমি নিজৰ ভিতৰতে এই প্রক্রিয়াটো সম্পূর্ণ কৰো আৰু কোনো এটা সিদ্ধান্ত লও। ইয়াকে আত্ম-ব্যক্তিক (Intra personal) সংযোগ বুলি কোৱা হয়, কাৰণ ইয়াত মাত্র একেজন মানুহৰ ভিতৰতে সংযোগ প্রক্রিয়াটো সম্পূর্ণ হয় আৰু ইয়াত দুজন ভিন্ ভিন্ ব্যক্তিক জড়িত কৰাৰ প্রয়োজন নাই।

(খ) আন্তঃব্যক্তিক সংযোগ ঃ সচৰাচৰ কোনো এটা নিবিড় পৰিবেশত আমি একাধিক ব্যক্তিৰ সৈতে সংযোগ কৰিলে ইয়াক আন্তঃব্যক্তিক (Intra personal) সংযোগ বোলা হয়। কাৰণ, এনে প্রকাৰৰ সংযোগত এজনতকৈ অধিক লোক জড়িত থাকে। এই প্রকাৰৰ সংযোগত অংশ গ্রহণ কৰা লোকৰ সংখ্যা পাচ-ছয়জন পর্যন্ত হ'ব পাৰে। এই সংখ্যা ইয়াতকৈ অধিক হ'লে তাক ক্ষুদ্র দলীয় সংযোগ বুলি কোৱা হয়।

(গ) ক্ষুদ্র দলীয় সংযোগ ঃ ক্ষুদ্র দলীয় সংযোগ (Small group Communication) ৰ অর্থ হ'ল ছয়জনৰ পৰা আঠজন লোকৰ এটা সৰু দলৰ মাজত হোৱা সংযোগ প্রক্রিয়া। এই প্রকাৰ সংযোগত জড়িত লোকৰ সংখ্যা কিছু বেছি হয় বাবে ইয়াক আন্তঃব্যক্তিক সংযোগ বুলি কোৱা নহয়। এই দলসমূহ কেবা প্রকাৰৰ হ'ব পাৰে- [1] গণতান্ত্রিক দল ঃ ইয়াত কোনো ঠাইত হোৱা আলোচনা আদিত দলটোৰ আটাইবোৰ সদস্যই কথা কোৱাৰ আৰু আলোচনাত অংশ গ্রহণ কৰাৰ সমান সুযোগ লাভ কৰে। (2) নেতা-কেন্দ্রিক দল ঃ ইয়াত দলটোৰ সদস্যসকলৰ মাজৰ পৰা এজনে নেতাৰ স্থান পায় আৰু তেওঁ সকলো বিষয়বে দায়িত্ব গ্রহণ কৰে আৰু দলটোৰ কার্য পৰিচালনাৰ সাধাৰণ নিয়মাৱলীৰ ক্ষেত্রত সিদ্ধান্ত গ্রহণ কৰে।

(ঘ) বৃহৎ দলীয় সংযোগ ঃ 15 ৰ পৰা 20 জন লোকৰ মাজত একেলগে হোৱা সংযোগ প্রক্রিয়াক বৃহৎ দলীয় সংযোগ (Large Group Communication) বুলি কোৱা হয়। কাৰণ, ক্ষুদ্র দলীয় সংযাগত জড়িত 6 পৰা 8 জন লোকৰ বিপৰীতে এই প্রকাৰ সংযোগত প্রক্রিয়াত জড়িত লোকৰ সংখ্যা যথেষ্ট বেছি হয়।



অগ্রগতি নিৰীক্ষণ গ

1। বিভিন্ন প্রকাৰৰ সংযোগক আপুনি কিদৰে শ্রেণীবিভাগ কৰিব?

.....

.....

2। মৌখিক সংযোগ কি ?

.....

.....

3। মৌন সংযোগ কি?

.....

.....

4। জড়িত ব্যক্তিৰ সংখ্যাৰ ভিত্তিত সংযোগক শ্রেণীবিভক্ত কৰক।

.....

5। আত্ম ব্যক্তিক আৰু আন্তঃব্যক্তিক সংযোগৰ মাজত থকা পার্থক্যসমূহ বাছি উলিয়াওক।

.....

.....



অনুশীলনী খ

1। আপুনি আপোনাৰ দুজন অন্তৰংগ বন্ধুৰ চাল-চলন নিৰীক্ষণ কৰক আৰু তেওঁলোকৰ হাতৰ অংগী-ভংগী, আনৰ সৈতে তেওঁলোকৰ চকুৰ সংযোগ, স্বৰৰ আৰোহন-অৱৰোহন, তেওঁলোকৰ খোজ কঢ়াৰ ধৰণ আদি টুকি ৰাখক। দুয়োজনৰে তুলনা কৰক আৰু কোনজন মৌখিক আৰু মৌন সংযোগ দুয়োটাতে ভাল আৰু কোনজন কেৱল ইয়াৰে এটাত ভাল সেইটো নির্দ্ধাৰণ কৰক।

2। আপোনাৰ বন্ধু দুজনৰ আচৰণ নির্ণয় কৰাৰ পাছত ফলপ্রসু সংযোগ প্রয়াসৰ বাবে আপুনি কোনটো মৌখিক আৰু কোনটো মৌন সংকেত একত্রিত কৰিব সেইটো ঠিক কৰক।

¾ ক্ষুদ্র দল আৰু বৃহৎ দলৰ মাজত সংযোগ প্রক্রিয়াটো কেনেকৈ হয় সেইটো ভালদৰে লক্ষ্য কৰক। এনে দলীয় কাম-কাজ নিৰীক্ষণ কৰি তলৰ কথাকেইটাৰ টোকা লিখক ঃ-- নেতাজন কেনেকৈ বাঁচনি কৰা হয়। নেতাজনে কেনে পদ্ধতিৰে তেওঁৰ কার্য সম্পাদন কৰে। সদস্যসকলৰ সৰহ সংখ্যকে কথা কোৱাৰ সুবিধা আৰু দলটোৰ আলাপ-আলোচনাত অংশ গ্রহণ কৰাৰ সুবিধা পায় নে নেপায়, দলটোৱে কেনেকৈ কোনো এটা বিষয়ে সিদ্ধান্ত গ্রহণ কৰে, ইত্যাদি।

১.৬ গণ সংযোগ

এতিয়া আমি আমাৰ ব্যক্তিগত অথবা সামাজিক জীৱনৰ প্রতিটো দিশকেই প্রভাৱান্বিত কৰা গণ সংযোগৰ উত্তেজনাময় আৰু বৈপ্লৱিক জগতখনত প্রবেশ কৰিছো। যিহেতুকে, আমাৰ জীৱনত ই অতি তাৎপর্যপূর্ণ হৈ পৰিছে, সেইবাবে সমাজৰ কল্যাণৰ হকে বিভিন্ন ক্ষেত্রত ইয়াৰ যথোচিত প্রয়োগ কৰাৰ কাৰণে আমি গণ সংযোগৰ বিষয়টো ভালদৰে উপলব্ধি কৰাটো উচিত হ'ব। এই সংযোগ প্রক্রিয়াটোকো ইয়াত জড়িত লোকৰ সংখ্যা আৰু ইয়াৰ বাবে ব্যৱহাৰ কৰা আহিলা আৰু যন্ত্রাদিৰ ভিত্তিত শ্রেণীবদ্ধ আৰু প্রকাৰভুক্ত কৰা হৈছে।

সৰলভাবে ক'বলৈ হ'লে, এই প্রকাৰৰ সংযোগ হ'ল জনসাধাৰণৰ সৈতে সংযোগৰ প্রক্রিয়া। এনে সংযোগত আমি যোগাযোগ কৰিব বিচৰা লক্ষিত শ্রোতা দর্শকৰ আকাৰ অতি বৃহৎ হ'ব পাৰে আৰু তেওঁলোক দেশ নাইবা বিশ্বৰ যিকোনো ঠাইতে সিঁচৰতি হৈ থাকিব পাৰে।

আমি এইবুলি ক'ব পাৰো যে ই এনে এক প্রকাৰ সংযোগ, যিটোৰ যোগেদি লিংগ, জাতি, ধর্ম, বয়স, ভৌগোলিক অথবা ৰাজনৈতিক বাধা নির্বিশেষে বিশ্বৰ সকলো লোকৰ সৈতে সংযোগ কৰিব পাৰো। বিশ্বৰ যিকোনো এখন দেশ নাইবা সমাজৰ পৰা আৰম্ভ কৰি বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ সমূহ নাগৰিক গণ সংযোগৰ লক্ষিত 'অডিয়েন্স' হ'ব পাৰে।

১.৬.১ গণ সংযোগৰ বৈশিষ্ট্যসমূহ

গণ সংযোগৰ সমগ্র ধাৰণাটোৰ বিষয়ে ভালদৰে বুজাৰ বাবে আমি ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিবলৈ লৈছো।


1 **এই সংযোগত এফালে থকা মাত্র এজন নাইবা অতি বেছি হ'লেও কেইজনমান সংযোগকাৰী বা বার্তা/তথ্যৰ প্রেৰকে** বিশ্বৰ য'তে ত'তে সিঁচৰতি হৈ থকা বৃহৎ সংখ্যক অডিয়েন্সৰ সৈতে সংযোগৰ লক্ষ্য কৰে। প্রযুক্তি কৌশলৰ সহায়ত কেইজনমান মানুহৰ বাবে এনে বৃহৎ সংখ্যক শ্রোতা-দর্শক-পাঠক বা অডিয়েন্সৰ সৈতে সংযোগ কৰাটো সম্ভৱপৰ হৈ উঠিছে। টেলিভিশ্যন বা ৰেডিঅ'ৰ যোগে প্রচাৰ কৰা কোনো এটা ভাষণ বা যিকোনো অন্য কার্যসূচী,

আৰু সংবাদ-পত্ৰ নাইবা কিতাপত প্ৰকাশিত আৰু সংবাদ-পত্ৰ নাইবা কিতাপত প্ৰকাশিত যিকোনো এটা বিষয়ে সংযোগকাৰীজনৰ জৰিয়তে হাজাৰ হাজাৰ মাইল দূৰত থকা কোনো এজন লোকে চাব, শুনিব নাইবা পঢ়িব পাৰে।

- **দ্বিতীয়তে গণ সংযোগক মধ্যস্থ-বিশিষ্ট সংযোগ** বুলিও কোৱা হয়। কাৰণ, কেতবোৰ যান্ত্ৰিক আহিলাৰ সহায়ত এই সংযোগ প্ৰক্ৰিয়া চলোৱা হয়। উদাহৰণ স্বৰূপে, এই প্ৰকাৰৰ সংযোগত সমগ্ৰ বিশ্বৰ অগণন লোকৰ ওচৰ চপাৰ কাৰণে সংযোগকাৰীয়ে, অপৰিহাৰ্যভাৱে মাইক্ৰ'ফোন, ষ্টুডিঅ'ৰ যন্ত্ৰপাতি, ছপাশাল, ৰেডিঅ', ট্ৰেনজিষ্টৰ চেট আদিৰ দৰে কেতবোৰ যন্ত্ৰপাতিৰ সহায় ল'বলগীয়া হয়। সংযোগকাৰী আৰু অডিয়েন্সৰ মাজত এই যান্ত্ৰিক সাঁ-সজুলিবোৰ থকা বাবে ইয়াক মধ্যস্থ-বিশিষ্ট সংযোগ বুলি কোৱা হয়। এই সংযোগত অডিয়েন্স অৰ্থাৎ শ্ৰোতা দৰ্শক-পাঠকৰ সঁহাৰি বা ফীড্‌বেক লাভ কৰাত যথেষ্ট পলম হয়। উদাহৰণ স্বৰূপে, কোনো এজন লোকে টেলিভিশ্যনৰ কাৰ্যসূচী চোৱাৰ, ৰেডিঅ'ৰ কাৰ্যসূচী শুনাৰ নাইবা বাতৰি কাকতত কোনো এটা প্ৰবন্ধ পঢ়াৰ পাছত তাৰ দ্বাৰা প্ৰভাৱিত হ'লে এই সম্পৰ্কত কোনো প্ৰতিবাদ নাইবা ইতিবাচক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব বিচাৰিলে, তেনে কৰাত কিছু সময়ৰ প্ৰয়োজন হয়। আনহাতে সংবাদ প্ৰতিষ্ঠানৰ বাবে এনে প্ৰতিবাদ বা প্ৰতিক্ৰিয়াৰ স্বীকৃতি দি তাক প্ৰচাৰ বা প্ৰকাশ কৰিবলৈ আৰু অধিক সময় লাগে।
- এই সংযোগত কাৰ্যসূচী প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায় যেনে-- টেলিভিশ্যন, ৰেডিঅ' নাই চলচ্চিত্ৰৰ ক্ষেত্ৰত কাহিনীৰ নিৰ্বাচন, কাৰ্যসূচীৰ পাণ্ডুলিপিৰ ৰচনা, সম্পাদনা প্ৰযোজনা, চিত্ৰ গ্ৰহণ, নিৰ্মাণোত্তৰ কাম-কাজৰ লগতে প্ৰচাৰ বা প্ৰকাশযোগ্য মাধ্যম পৰিকল্পনা কাৰ্যসূচীটোৰ বা কাহিনীৰ প্ৰচাৰ আদিৰ বাবে উপযুক্ত "টাইম শ্লট"ৰ নিৰ্দ্ধাৰণ আদি কাম-কাজৰ সম্পাদনত "বৃত্তিধাৰী সংযোগকাৰী" জড়িত হোৱাটো অপৰিহাৰ্য হৈ পৰে।
- বিশ্বৰ অগণন লোকক উদ্দেশ্যি কোনো এটা কথা ক'ব বিচৰা প্ৰতিজন লোক সংযোগ দক্ষতা সম্পন্ন ব্যক্তি হোৱাটো সম্ভৱ নহয়। সেইবাবে, জনসাধাৰণক তেওঁলোকে দিব বিচৰা বাৰ্তাটো মাধ্যমৰ ভিত্তিত যথোপযুক্ত ধৰণে প্ৰস্তুত কৰা আৰু তাৰ পিছত ইয়াক পৰিবেশন কৰাৰ কাৰণে বৃত্তিধাৰী সংযোগকাৰীৰ সহায় লোৱাটো আৱশ্যকীয় হৈ পৰে।
- গণ সংযোগৰ এটা অতি তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য হ'ল এই যে সংবাদৰ প্ৰচাৰ বা মুদ্ৰণ অপৰিহাৰ্যভাৱে এটা সমকালিক প্ৰক্ৰিয়া। ইয়াৰ অৰ্থ হ'ল যে ৰেডিঅ' বা টেলিভিশ্যনত প্ৰচাৰিত বাতৰি বুলেটিন শুনিবলৈ বা চাবলৈ বিচৰা যিকোনো লোকে যিকোনো ঠাইতে একেটা সময়তে লাভ কৰিব লাগিব।
- শেষত, গণ সংযোগ হ'ল অতি অব্যক্তিক প্ৰকাৰৰ সংযোগ। ইয়াত সংযোগকাৰীৰ লক্ষিত অডিয়েন্স বা শ্ৰোতা-দৰ্শকৰ সৈতে কোনো পোনপটীয়া সম্পৰ্ক নাথাকে আৰু প্ৰতিটো কামেই যান্ত্ৰিক পদ্ধতিৰ জৰিয়তে চলোৱা হয়।

১.৬.২ গণ সংযোগৰ প্ৰকাৰ

গণ সংযোগ আৰু গণ মাধ্যমৰ প্ৰকাৰসমূহ তলত দিয়া হ'ল ঃ




ওপৰৰ তালিকাখনৰ পৰা এই কথা স্পষ্টভাৱে বুজিব পাৰি যে গণ সংযোগৰ প্ৰধান তিনিটা ভাগ হৈছে-- সাংবাদিকতা, বিজ্ঞাপন আৰু জন সম্পৰ্ক। এই প্ৰতিটোকে আকৌ বিভিন্ন অংশত বিভক্ত কৰা হৈছে। সাংবাদিকতা হ'ল গণ সংযোগৰ আটাইতকৈ পুৰণি পদ্ধতি। ই মূলতঃ "সংবাদ" সংযোগ কৰাটোকহে বুজায়। ইয়াৰ পিছতেই স্থান লৈছে ক্ৰমে জন সম্পৰ্ক আৰু বিজ্ঞাপনে। এই আটাইবোৰ প্ৰকাৰৰ গণ-সংযোগৰ বিষয়ে পৃথক পৃথক খণ্ড আৰু অধ্যায়ত আমি বিশদভাৱে আলোচনা কৰিম। উল্লেখযোগ্য যে বৰ্তমান সংবাদৰ পা�ৰম্পৰিক ধাৰণাৰ যথেষ্ট পৰিবৰ্তন ঘটিছে আৰু উপৰোক্ত তিনিটা ভাগৰ লগতে এতিয়া 'মনোৰঞ্জনো" গণ সংযোগৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে।

১.৬.৩. গণ মাধ্যম আৰু শ্ৰোতা- দৰ্শক

আমি ইতিমধ্যে গণ সংযোগৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি গণ সংযোগৰ দুটা অতি গুৰুত্বপূৰ্ণ ধাৰণাৰ বিষয়ে পঢ়িম। এই ধাৰণা দুটা হৈছে-- গণ মাধ্যম আৰু শ্ৰোতা দৰ্শক—

(ক) গণ মাধ্যম (Mass media)

গণ সংযোগ হ'ল জনগণৰ সৈতে সংযোগৰ প্ৰক্ৰিয়া আৰু আনহাতে গণ মাধ্যম হ'ল শ্ৰোতা-দৰ্শক -পাঠকৰ সুবিধাৰ্থে এই প্ৰক্ৰিয়া চলোৱাৰ পদ্ধতি বা উপায়। এই গণ মাধ্যমসমূহ কেবা প্ৰকাৰৰ। যেনে—



এই গণ মাধ্যমসমূহেই হ'ল গণ সংযোগৰ মেৰুদণ্ড স্বৰূপ। এই পদ্ধতি বা আহিলাসমূহৰ যোগেদি তৃণমূল পর্যায়ত জনসাধাৰণৰ মাজলৈ বার্তাসমূহ বহন কৰি লৈ যোৱা হয় আৰু সর্বসাধাৰণ লোকে এই পদ্ধতিসমূহৰ জৰিয়তে নিজে বিচৰা অনুযায়ী এই বার্তাসমূহ চাব, শুনিব নাইবা পঢ়িব পাৰে।

(খ) শ্রোতা-দর্শক

গণ সংযোগত কার্যসূচীৰ গ্রহণ আৰু সেইবোৰ উপভোগ কৰাৰ বাবে বৃহৎ সংখ্যক শ্রোতা দর্শক অর্থাৎ অডিয়েন্স জড়িত হৈ থকা হেতুকে এই অডিয়েন্স শব্দটোৰ এটা স্পষ্ট ধাৰণা থকাটো প্রয়োজনীয়। মাধ্যমসমূহে দিনে নিশাই 24 ঘণ্টা জুৰি আগবঢ়াই থকা বিষয়বস্তু নাইবা কার্যসূচীসমূহ শ্রোতা-দর্শকে কেনেকৈ গ্রহণ ক ৰে তাৰ ওপৰতে গণ-সংযোগৰ ফলপ্রসুতা নির্ভৰ কৰে।

গণ-সংযোগৰ শ্রোতা দর্শক বা অডিয়েন্সক কেবাটাও পর্যায়ত শ্রেণীভুক্ত কৰিব পৰা যায়। উদাহৰণ স্বৰূপে, গণ মাধ্যমৰ শ্রোতা-দর্শক বা অডিয়েন্সক টেলিভিশ্যন, ৰেডিঅ', সংবাদ পত্র, চলচ্চিত্র, গ্রন্থ আদি কোনো এটা নির্দিষ্ট গণ মাধ্যমৰ শ্রোতা-দর্শক শ্রেণীত ভাগ বা শ্রেণীভুক্ত কৰিব পাৰি। এই শ্রোতা-দর্শকে পুনৰ কোনো কার্যসূচী, কোনো এটা বিশেষ ক্রীড়া, টেলি-ধাৰাবাহিক, ৰাজনৈতিক কার্যসূচীৰ পৃথক পৃথক শ্রোতা-দর্শক হিচাপে শ্রেণীবদ্ধ কৰিব পাৰি।

বর্তমান কালত সৰহভাগ গণ মাধ্যমে বিশেষভাবে চিনাক্ত কৰা শ্রোতা দর্শক পাঠকক ভালদৰে সেৰা আগবঢ়োৱাৰ উদ্দেশ্যৰে ক্ষুদ্র শ্রেণীৰ শ্রোতা দর্শকৰ প্রয়োজন পুৰণৰ ববে সেইবোৰ নিজকে বিভাজন কৰিবলৈ আৰম্ভ কৰিছে।

গণ মাধ্যম জগতত শ শ চেনেল, বাতৰি কাকত, আলোচনী, চলচ্চিত্রৰ আবির্ভাবৰ ফলত সৃষ্টি হোৱা তুমুল প্রতিযোগিতাৰ কাৰণে সংবাদ সংস্থাসমূহে সকলো প্রকাৰে শ্রোতা-দর্শকক আকর্ষণ কৰি থকাৰ বাবে সর্বতো প্রকাৰে প্রচেষ্টা চলোৱাটো নিতান্তই স্বাভাৰিক। সেইবাবে শ্রোতা-দর্শককেই নৃপতি ৰূপে গণ্য কৰা ধাৰণাটোৱে গা কৰি উঠিছে।

কোনো এটা কার্যসূচী, কোনো এটা চেনেল নাইবা চলচ্চিত্র আদিৰ লক্ষিত শ্রোতা-দর্শকক সঠিকভাৱে চিনাক্ত কৰাটো এট দুৰূহ কাম কিন্তু আপুনি নিশ্চিতৰূপে জানিব যে যিকোনো গণ মাধ্যম সংস্থাই, প্রথমতে শ্রোতা-দর্শক বা অডিয়েন্সৰ বিশদ জৰীপ নকৰাকৈ আৰু ইয়াৰ কার্যসূচীসমূহৰ শ্রোতা-দর্শকৰ শ্রেণীটোক চিনাক্ত নকৰাকৈ কোনো কার্যসূচীৰ আৰম্ভ নকৰে।



অগ্রগতি নিৰীক্ষণ ঘ

1/4 গণ সংযোগ কি?

.....

.....

.....

.....

2/4 গণ সংযোগৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

.....

.....

.....

.....

3/4 আন্তঃব্যক্তিক সংযোগ আৰু গণ সংযাগৰ দিশসমূহৰ তুলনা কৰক।

.....

.....

.....

.....

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আপোনাক সংযোগ গণ সংযোগৰ ধাৰাৰ সৈতে পৰিচয় কৰি দিয়া হ'ল।

- সংযোগ হ'ল কোনো এটা বাহক বা চেনেলৰ জৰিয়তে ইজনে সিজনৰ মাজত তথ্য আৰু মতামতৰ আদান-প্ৰদানৰ পদ্ধতি আৰু ই এটা অন্তহীন প্ৰক্ৰিয়া।
- সংযোগে কেতবোৰ সুনিৰ্দিষ্ট কাৰ্য সম্পাদন কৰে আৰু সেইবোৰ মানুহৰ বাবে অতি উপযোগী। সেই বাবে এই কাৰ্যপদ্ধতিসমূহৰ বিষয়ে ফলদায়কভাবে আৰু উপযুক্ত ধৰণে অধ্যয়ন কৰাটো প্ৰয়োজনীয়।
- সংযোগ মৌখিক আৰু মৌন এই দুই প্ৰকাৰৰ হ'ব পাৰে।
- বিভিন্ন পৰিস্থিতি আৰু প্ৰয়োজন সাপেক্ষে সংযোগ আত্ম-ব্যক্তিক, আন্তঃব্যক্তিক, দলীয় আৰু বৃহৎ সংখ্যক শ্ৰোতা-দৰ্শক আৰু মুষ্টিমেয় সংযোগকাৰীৰ মাজৰ সংযোগ হ'ব পাৰে।
- গণ-সংযোগ হ'ল বিশ্বৰ য'তে ত'তে সিঁচৰতি হৈ থকা অতি বৃহৎ সংখ্যক জনতাৰ সৈতে সংযোগৰ প্ৰক্ৰিয়া। শ্ৰোতা দৰ্শকৰ একে সময়তে সমূহ শ্ৰোতা দৰ্শকৰ মাজত বাৰ্তাৰ

বিতৰণ আৰু তেওঁলোকৰ আটাইৰে বাবে ইয়াক লভ্য কৰাৰ কাৰণে এই বিধি সংযোগ প্ৰক্ৰিয়াত কোনো যান্ত্ৰিক পদ্ধতিৰ প্ৰয়োগ কৰাটো অপৰিহাৰ্য।

- মানুহে গ্ৰহণ কৰাৰ বাবে উলিয়াই দিয়াৰ পূৰ্বে মূল সংযোগকাৰীৰ পৰা লাভ ৰা গণ সংযোগৰ বাৰ্তসমূহ উপযুক্তভাৱে পৰিশুদ্ধ আৰু সম্পাদনা কৰাৰ বাবে এক শ্ৰেণীৰ 'বৃত্তিধাৰী সংযোগকাৰী'ৰো প্ৰয়োজন হয়।
- জনসাধাৰণে যিবোৰ আহিলা বা উপায়ৰ জৰিয়তে এই বাৰ্তাসমূহ লাভ কৰিব পাৰে আৰু শেষান্তৰত সেইবোৰৰ পৰা উপকৃত হয়, সেইবোৰেই হ'ল গণ মাধ্যম। এনে হোৱাৰ কাৰণ হ'ল সমগ্ৰ বিশ্বতে একেটা সময়তে ইমান বৃহৎ সংখ্যক শ্ৰোতা-দৰ্শকক ঢুকি পোৱাটো অসম্ভৱ হ'লহেতেন।



১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Mass Communication, an introduction -- John Bitter (Prentice Hall)
- Theories of Communication -- Defleur, ML and Ball-Rokeach S (Longman)
- Communication, media, yesterday, today and tomorrow, P. N. Malhan (Publication Division, Gol)
- Mass Communication, Theory, an introduction-- Dennis McQuail (Sage)
- Communication, Models for Study of mass communication-- Dennis McQuail (Lngman)
- Understanding media-- Marshall Mc Luhan (Routledge and paul Kegan, London)
- Understanding the media Eoin Dever eux (sage)
- Mass Communication, theory and practice-- Uma Narula (Harchand publications, Delhi)
- Handbook, Journalism and Mass communication V. B. Agarwal and V. S. Gupta.

১.৯ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ ক

১. সংযোগ হ'ল আমাৰ নিজৰ মাজতে তথা আনৰ সৈতে তথ্য আদান-প্রদানৰ প্রক্রিয়া। ই আমাক আমাৰ সংগীজ্ঞ ব্যক্তি আৰু সমাজৰ বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠান, সংগঠনৰ সৈতে সুস্থ সম্পর্ক ৰক্ষাত সহায় কৰে। মানৰ জাতিৰ বাবে ই হৈছে চতুর্থবিধ মৌলিক প্রয়োজন।

2 সংযোগৰ কেইটামান আৱশ্যকীয় উপাদান আছে, যেনে,

ক। প্রেৰক অর্থাৎ যিজনে সংযোগ প্রক্রিয়াটো আৰম্ভ কৰে বা অন্য কোনো এজন লোকলৈ কোনো এটা বার্তা প্রেৰণ কৰে।

খ। গ্রাহক অর্থাৎ যাৰ উদ্দেশ্যে প্রেৰক বার্তা প্রেৰণ কৰে।

গ। চেনেল বা বাহক হ'ল যিটোৰ যোগে প্রেৰক আৰু গ্রাহক উভয়ে সংযোগ কৰিব পাৰে।

ঘ। সংযোগ প্রক্রিয়াত আমাৰ মাজত আদান-প্রদান হোৱা তথ্যই হ'ল বার্তা।

ঙ। আমাৰ সংযোগৰ প্রতিক্রিয়া ৰূপে লাভ কৰা সঁহাৰিয়েই হ'ল ফীডবেক বা সঁহাৰি।

¾ অন্য এজন ব্যক্তিৰ সৈতে সংযোগ কৰাৰ পূর্বে আমি নিজৰ ভিতৰতে সংযোগ কৰাটো প্রয়োজনীয়া কাৰণ, সেই ব্যক্তিজন নাইবা বার্তাৰ গ্রাহকক আমি কি ক'ব বিচাৰো বা কেনে সংযোগ কৰিব বিচাৰো, সেই বিষয়ে প্রথমতে নিজ মনৰ মাজতে সিদ্ধান্ত গ্রহণ কৰাটো আৱশ্যকীয়। আমি নিজে নিজৰ মনতে বিশদ আলাপ-আলোচনাৰ পাছতহে আনৰ সৈতে কি কি কথা আলোচনা কৰিব বিচাৰো নাইবা তেওঁক কি ক'ব খোজো, সেইটোৰ বিষয়ে জনাবলৈ বা আলোচনা কৰিবলৈ আগবাঢ়ো।

অগ্রগতি নিৰীক্ষণ খ

¼ লেচওৱেলৰ মতে সংযোগৰ কার্যসমূহ হ'ল ঃ

(ক) পাৰিপার্শ্বিকতাৰ ওপৰত নজৰ ৰখা।

(খ) পাৰিপার্শ্বিক অৱস্থাৰ প্রতি সঁহাৰি জনোৱাত সমাজৰ বিভিন্ন অংশৰ মাজত সম্পর্ক ৰক্ষা কৰা।

(গ) সাংস্কৃতিক ঐতিহ্যৰ সম্প্রচাৰ কৰা।

2¼ মেক্ কুৱেইলৰ মতে সংযোগৰ কার্যসমূহ হ'ল----

(ক) তথ্য

(খ) পাৰস্পৰিক সম্পর্ক

(গ) নিৰন্তৰতা

(ঘ) মনোৰঞ্জন

(ঙ) কার্য প্রেৰণা।

¾ ৰাইট

অগ্রগতি নিৰীক্ষণ গ

1/4 জড়িত লোকৰ সংখ্যা তথা ভাষাৰ প্ৰয়োগৰ দৃষ্টিকোণৰ পৰা সংযোগক বিভিন্ন প্ৰকাৰত বিভক্ত কৰাটোহে সুবিধাজনক হয়।

ভাষাৰ প্ৰয়োগৰ দিশৰ পৰা সংযোগক মৌখিক বা মৌন সংযোগত বিভক্ত কৰিব পাৰি, আনহাতে, সংযোগত জড়িত লোকৰ সংখ্যাৰ দিশৰ পৰা ইয়াক আত্ম-ব্যক্তিক, আশুঃব্যক্তিক, ক্ষুদ্ৰ আৰু বৃহৎ দলীয় সংযোগ আৰু গণ সংযোগত বিভক্ত কৰিব পাৰি।

3/4 অ-মৌখিক বা মৌন সংযোগ হ'ল আমাৰ মুখমণ্ডলৰ ভাব-ভংগী, দৈহিক ভঙ্গী, আমাৰ কাম-কাজ, পোছাক-পৰিচ্ছদৰ ধৰণ আদিৰ দ্বাৰা কৰা সংযোগ। ইয়াত কোনো কথিত বা লিখিত ভাষাৰ প্ৰয়োগ কৰা নহয়। কিন্তু মৌখিক সংযোগত লক্ষিত অডিয়েন্সলৈ বাৰ্তাটো বহন কৰি নিয়াৰ কাৰণে অনিবাৰ্যভাৱে কথিত তথা লিখিত ভাষা ব্যৱহাৰ কৰা হয়।

আমাৰ জীৱনত সামগ্ৰিকভাবে মৌখিক সংযোগতকৈ অমৌখিক বা মৌন সংযোগৰ শতকৰা হাৰ অতি বেছি হয়। মৌখিক সংযাগতকৈ মৌন সংযোগ অধিক অৰ্থপূৰ্ণ হয়।

অগ্রগতি নিৰীক্ষণ ঘ

1/4 গণ সংযোগ হ'ল এনে এটা প্ৰক্ৰিয়া, যিটোৰ যোগে বাৰ্তাৰ কোনো এজন বা কেইজনমান প্ৰেৰকে বা সংযোগকাৰীয়ে গণ মাধ্যম বুলি কোৱা কেতবোৰ যান্ত্ৰি আহিলাৰ প্ৰয়োগৰ দ্বাৰা বিশ্বৰ যি কোনো ঠাইতে সিচৰঁতি হৈ থকা বৃহৎ সংখ্যক, অগণন লোকৰ সৈতে লোকৰ সৈতে কৰা সংযোগ প্ৰক্ৰিয়া এই প্ৰকাৰ সংযোগত বাৰ্তাৰ গ্ৰহণকাৰীসকলৰ প্ৰতি জাতি, মত, লিংগ, বয়স, ধৰ্ম আদিৰ ভিত্তিত কোনো প্ৰকাৰৰ বৈষম্য কৰা নহয়। কোনো এজন লোকৰ গণ মাধ্যমত প্ৰবেশৰ সমল থাকিলে তেওঁ টেলিভিশ্যন-ৰেডিঅ' চেনেলটো চাব বা শুনাত আৰু বাত ৰি কাকত এখন পঢ়াত কোনো বাধা নাথাকে।

2/4 তলত দিয়া ধৰণে গণ-সংযোগৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰি ঃ--

- বাৰ্তাৰ কেইজনমান বা মাত্ৰ এজন সংযোগকাৰী বা প্ৰেৰক থাকে,
- শ্ৰোতা দৰ্শক বা অডিয়েন্সৰ সংখ্যা অতি বৃহৎ আৰু বিশ্বৰ সকলো ঠাইতে তেওঁলোক সিঁচৰতি হৈ থাকে।
- বাৰ্তাসমূহ একে সময়তে প্ৰকাশ বা প্ৰচাৰ কৰা হয়।
- মধ্যস্থতা বিশিষ্ট সংযোগ।
- অতি অব্যক্তিক মাধ্যম
- সম্মোহন বৰ্দ্ধক বা সামৰ্থ্য বৰ্দ্ধক (Foce multiplier)

3/4

	আন্তঃ ব্যক্তিক সংযোগ	গণ সংযোগ
ক।	আন্তঃ ব্যক্তিক সংযোগ হ'ল 'ব্যক্তিগত'	গণ সংযোগ হ'ল 'অব্যক্তিক"
খ।	নিকট ব্যক্তিগত দুৰত্বৰ মাজত ইয়াক চলোৱা হয়।	ব্যাপক দুৰত্বৰ মাজত ইয়াক চলোৱা হয়।
গ।	সঁহাৰি বা ফীডবেক তাৎক্ষণিক হয়।	সঁহাৰি বা ফীডবেক লাভত লে'হেম হয়।
ঘ।	আন্তঃ ব্যক্তিক সংযোগ অধিক ফলপ্রসু	গণ সংযোগ ফলপ্রসুতা কম।
ঙ।	ইয়াত কোনো যান্ত্রিক আহিলা প্রয়োগৰ প্রয়োজন নাই	জনসাধাৰণ বা অডিয়েন্সৰ ওচৰ চপাৰ বাবে ইয়াত যান্ত্রিক আহিলা প্রয়োগ কৰাটো অপৰিহার্য।



১.১০ সম্ভাব্য প্রশ্ন

1/4 সংযোগ কি? ইয়াৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰক

2/4 অংশ গ্রহণ কৰা লোকৰ সংখ্যা আৰু ভাষাৰ প্রয়োগৰ ভিত্তিত বিভিন্ন প্রকাৰ সংযোগ শ্রেণীভুক্ত কৰক।

3/4 সংযোগৰ কার্যসমূহ কি কি?

4/4 আন্তঃব্যক্তিক সংযোগ আৰু গণ সংযোগৰ তুলনা কৰক।

5/4 বর্তমান সময়ত আমাৰ জীৱনত গণ সংযোগ কিয় ইমান গুৰুত্বপূর্ণ হৈ উঠিছে? উপযুক্ত উদাহৰণসহ লিখক।